Regional News Unit
All India Radio, Guwahati
0000000000

Date : 04-08-2024
Time : 1845 Hrs

*Assamese Evening Bulletin*

::::::::::::::::::::::::::::::::::::::

# Headlines

১।	পেৰিছ্ অলিম্পিকৰ পুৰুষ হকীৰ কোৱাৰ্টাৰ ফাইনেলত গ্ৰেট ব্ৰিটেইনক হৰুৱাই ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ। বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসম কন্যা লাভলীনাৰ পৰাজয়।

২।	ৰাজ্যখনত জন্মগ্ৰহণ কৰা লোকেহে চৰকাৰী চাকৰি লাভ কৰিব পৰাকৈ ৰাজ্য চৰকাৰে নতুন বাসিন্দা নীতি প্ৰণয়ন কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩।	ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি কাইলৈৰ পৰা শিক্ষা সপ্তাহ উদযাপন।

৪।	গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অসম প্ৰদেশ বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা। বিগত লোকসভা নিৰ্বাচনৰ ফলাফলৰ পৰিপ্ৰেক্ষিতত দলীয় কাৰ্যপন্থা আৰু সৰলীকৰণ সন্দৰ্ভত আলোচনা।

*আৰু*

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত শ্ৰীলংকাৰ ভাৰতক ২৪১ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

0000000

ভাৰতীয় পুৰুষ হকী দলটোৱে পেৰিছ্ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনক ৪-২ গলত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা লাভলীনা বৰগোঁহাই পেৰিছ্ অলিম্পিকৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত চীনৰ লী কিয়ানৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়। কোৱাৰ্টাৰ ফাইনেলৰ পাছত অসমৰ খেলুৱৈগৰাকীয়ে অসমবাসীক উদ্দেশ্যে আকাশবাণীৰ আগত এইদৰে কয়-

ভইচ কাষ্ট

ইফালে, পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত পৰাজয় বৰণ কৰে। সেনে কাইলৈ মালয়েছিয়াৰ লী জি জিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

0000000

ৰাজ্য চৰকাৰে নতুন বাসিন্দা নীতি প্ৰণয়ন কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। এই নীতিৰ অধীনত ৰাজ্যখনত জন্মগ্ৰহণ কৰা লোকেহে চৰকাৰী চাকৰি লাভ কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইয়াৰ লগতে লাভ জিহাদ সম্পৰ্কীয় গোচৰসমূহৰ বাবে নতুন আইন প্ৰণয়ন কৰাৰ বিষয়ে ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিব বুলি মন্তব্য কৰে।

0000000

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত কাইলৈৰ পৰা এঘাৰ আগষ্টলৈ শিক্ষা সপ্তাহ পালন কৰা হ'ব। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কাইলৈৰ দিনটো শিক্ষণ- শিকন সামগ্ৰীৰ দিন, পৰহিলৈ এফ এল এন দিন, ৭ আগষ্টৰ দিনটো ক্ৰীড়া দিন, ৮ আগষ্টত সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু ১১ আগষ্টৰ দিনটো সম্প্ৰদায় জড়িতকৰণ দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ জৰিয়তে শিক্ষা জগতলৈ অহা পৰিৱৰ্তন তথা সফলতাসমূহ এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

0000000

ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা এইবাৰ ছগৰাকী প্ৰশাসনীয় বিষয়ালৈ আগবঢ়োৱা হৈছে। এইবাৰ এই বঁটাৰ বাবে ৫২খন আবেদন লাভ কৰা হৈছিল যদিও ইয়াৰ ভিতৰত ছটা বিভাগৰ সেৱাকহে বঁটাৰ বাবে বাছনি কৰা হয়। চৰকাৰী বিভিন্ন বিভাগসমূহৰ কাৰ্যকলাপ, উদ্ভাৱনী প্ৰয়াস, বহন ক্ষমতা, প্ৰশাসনৰ ক্ষেত্ৰত দক্ষতাৰ উন্নয়ন তথা  কাৰ্যকৰিতা আদি কাৰকসমূহৰ ওপৰত ভিত্তি কৰি এই ছটা বিভাগক বঁটাৰ বাবে বাছনি কৰা হয়। মিছন বসুন্ধৰা, জলজীৱন মিছনৰ অধীনৰ জলদূত কাৰ্যসূচী, মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে সমৰ্থ নামভৰ্তি পোৰ্টেল, ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত চৰাইদেউ মৈডামৰ অন্তৰ্ভুক্তিকৰণৰ সৈতে জড়িত কাৰ্যকলাপ, নগাঁৰৰ মুকুতা খেতি, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা লাইকা বন গাঁৱক নামফাই সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত ভূমিত পুনৰসংস্থাপন কাৰ্যত জড়িত একাংশ চৰকাৰী বিষয়ালৈ এই বঁটা আগবঢ়োৱা হৈছে।

০০০০০০০

অসম প্ৰদেশ বিজেপিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়।  তৃতীয়বাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে অধিষ্ঠিত হোৱা নৰেন্দ্ৰ মোদীক ধন্যবাদসূচক প্ৰস্তাৱৰ লগতে অভিনন্দন যাঁচি আৰম্ভ কৰা সভাখনত বিগত লোকসভা নিৰ্বাচনৰ ফলাফলৰ মূল্যায়ন কৰা হয়। ইয়াৰ লগতে ৰাজ্যৰ পাঁচটা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনৰ বাবে দলীয় কাৰ্যপ্ৰণালীৰ বিষয়তো কাৰ্যনিৰ্বাহক সভাত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যিক বিজেপিৰ নৱনিযুক্ত প্ৰভাৰী হৰিশ দ্বিৱেদীকে ধৰি ৰাজ্যিক বিজেপিৰ বিভিন্ন বিষয়ববীয়া, মুখপাত্ৰ, কোষ আৰু বিভাগৰ আহ্বায়ক তথা সাংসদ আৰু বিধায়কসকলৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ সভাপতিত্বত আজি কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। বিকশিত ভাৰতৰ যাত্ৰা অব্যাহত ৰাখি ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু তৃণমূল পৰ্যায়ত দলটোক সবল আৰু শক্তিশালী কৰি তোলাৰ লগতে সাংগঠনিক ভেটি সুদৃঢ়কৰণ তথা দলীয় নীতি প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে আজিৰ সভাই বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি দলৰ চৰকাৰখনে গ্ৰহণ কৰা জনকল্যাণমুখী কাম-কাজসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কাম কৰি থকা দলীয় কৰ্মীসকলক আজিৰ সভাত কৃতজ্ঞতা জ্ঞাপন কৰা হয়।

০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ১৮ আগষ্টত মায়ং মহাবিদ্যালয় খেলপথাৰত পোনপ্ৰথম বাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আজি খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এখন সংবাদ মেলত মৰিগাঁও জিলাৰ আয়ুক্ত তথা মহোৎসৱৰ উদযাপনৰ মুখ্য পৃষ্ঠপোষক দেৱাশীষ শৰ্মাই কাৰ্যসূচী সম্পৰ্কে সবিশেষ সদৰি কৰে। সংবাদ মেলক সম্বোধন কৰি শ্ৰীশৰ্মাই কয় যে অহা ১৮ আগষ্টৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে যাদু মহোৎসৱৰ শুভাৰম্ভণি হ'ব। শোভাযাত্ৰাত অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হ'ব বুলি শ্ৰীশৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। আয়ুক্তগৰাকীয়ে মহোৎসৱৰ যোগেদি অন্ধবিশ্বাসৰ সলনি মায়ঙৰ ঐতিহ্য বহন কৰা যাদুৰ ইতিহাসৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সংৰক্ষণমুখী পৰ্যটনৰ বাট মুকলি কৰাৰ চেষ্টা কৰা হৈছে বুলি মন্তব্য কৰে।

০০০০০০০

বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে প্ৰতিষ্ঠানখনত শেহতীয়াকৈ চিকিৎসাৰ মাছুল বৃদ্ধি হোৱা বুলি সদৰি কৰিছে। তেওঁ কয় যে, বিগত ২০০২ চনত শেষবাৰৰ বাবে মাছুল বৃদ্ধি কৰাৰ পাছত এইবেলি চিকিৎসাৰ সৈতে জড়িত সকলো ধৰণৰ ব্যয় সামান্য পৰিমাণে বৃদ্ধি কৰা হৈছে। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত হোৱা ব্যয়ৰ জৰীপৰ ভিত্তিত জনসাধাৰণৰ অসুবিধা নোহোৱাকৈ তেজৰ পৰীক্ষা, এক্সৰেৰ পৰা আৰম্ভ কৰি পেইং কেবিনলৈকে কেইবাটাও ক্ষেত্ৰত মাছুল ন্যূনতম পৰিমানে বৃদ্ধি কৰা হৈছে। আয়ুষ্মান ভাৰত কাৰ্ড থকা ৰোগী সন্দৰ্ভত তেওঁ কয় যে, তেওঁলোকে পূৰ্বৰ দৰে এতিয়াও বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব। এই কাৰ্ড নথকা ৰোগীসকলে বৰ্ধিত মাছুল আদায় দিব লাগিব। তেওঁ লগতে কয় যে, চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত বহিঃবিভাগত ৰোগীৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি হৈছে। ২০২০ চনত বহিঃবিভাগত ৰোগীৰ সংখ্যা এক লাখ ৩৩ হাজাৰ হোৱাৰ বিপৰীতে ২০২৩ চনত এই সংখ্যা ২ লাখ ৫৭ হাজাৰলৈ বৃদ্ধি হোৱা বুলি তেওঁ সদৰি কৰে।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৪১ ৰাণৰ বিজয়লক্ষ্য বান্ধি দিছে। কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪০ ৰাণ সংগ্ৰহ কৰে। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ' হোৱাৰ পাছত দুয়োটা দলেই আজিৰ খেলখনত জয়ী হোৱাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে।

০০০০০০০

ৰাজ্যিক কেবিনেটত গৃহীত সিদ্ধান্তৰ সবিশেষ, পেৰিছ অলিম্পিকত প্ৰতিমুহূৰ্তৰ খবৰ, প্ৰধানমন্ত্ৰী মন কী বাতৰ বতৰা, কেৰালাৰ বায়নাদৰ ভূমিস্খলনৰ খবৰ, ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সবিশেষ, ভাৰত-শ্ৰীলংকাৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ খবৰ আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপমুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ জনসাধাৰণৰ অধিক ওচৰ চপোৱাৰ বাবে ব্যৱস্থা গ্ৰহণৰ বিষয়ে বিগত সপ্তাহত আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ জৰিয়তে অসমৰ ঐতিহাসিক চৰাইদেউ মৈদামে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ বাবে গৌৰৱ প্ৰকাশ কৰে। বিগত সপ্তাহত গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য্য নিযুক্তি দিয়া হয়। যোৱা সোমবাৰে ৰাজ্যত আন্তৰাষ্ট্ৰীয় ব্যঘ্ৰ দিৱস পালন কৰা হয়। মানাহ ৰাষ্ট্ৰীয় উদ্যানত উদ্যাপিত ব্যঘ্ৰ দিৱসৰ কাৰ্যসূচীত উদ্যোক্তাসকলে বাঘৰ সংখ্যা ৬০ লৈ বৃদ্ধি পোৱা বুলি সদৰি কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গুৱাহাটীৰ লোকসেৱা ভৱনত যোৱা সোমবাৰৰ পৰা দুদিনীয়াকৈ জিলা আয়ুক্ত সন্মিলন অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষৰ ৩১ ডিচেম্বৰৰ পূৰ্বে নতুন পঞ্চায়তে দায়িত্ব ল'ব পৰাকৈ ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পোষকতা কৰি বিগত সপ্তাহত মত প্ৰকাশ কৰে। অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰীৰ গোচৰত যোৱা সোমবাৰে বিশেষ ন্যায়াধীশৰ আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালক ১৪ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকা জৰিমণা বিহে।

লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই যোৱা মঙলবাৰে অসমৰ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। তেওঁ অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হয়। একেদিনাই কোকৰাঝাৰ জিলাত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খেলসমূহ অনুষ্ঠিত হয়। মনু ভাকেৰ আৰু সৰবজোৎ সিঙে বিগত সপ্তাহত পেৰিছ অলিম্পিকৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক জয় কৰে। ৰাজ্য চৰকাৰৰ শিক্ষাৰ্থীৰ উচ্চ শিক্ষাৰ বাবে অভিনন্দন, শিক্ষা ঋণ, ৰাজ সাহায্য আঁচনি কাৰ্যকৰীকৰণৰ বাবে বিত্ত বিভাগে বিগত সপ্তাহত এখন জাননী জাৰি কৰে। এই জাননীত ২০২০ চনৰ পহিলা এপ্ৰিলৰ পৰা চলিত বছৰৰ ৩১ মাৰ্চ পৰ্যন্ত উচ্চ শিক্ষা ঋণ গ্ৰহণ কৰা সকলৰ ভিতৰত উপযুক্ত বিবেচিত সকললৈ এককালীন সাহায্য হিচাপে ৫০ হাজাৰ টকা আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰা হয়। ইপিনে, কেৰালাৰ বায়নাদ জিলাত মঙলবাৰে পুৱা হোৱা ভূমিস্খলনৰ ঘটনাত কেইবাশ লোকে প্ৰাণ হেৰুৱাৰ লগতে বহুসংখ্যক লোক আহত হয়। মৰিগাওঁ জিলা বিগত সপ্তাহত মুখ্যমন্ত্ৰী ডেস্কবোৰ্ডত ষষ্ঠ স্থানলৈ উন্নীত হোৱাৰ লগতে ৰাজ্যৰ ভিতৰতে অন্যতম সফল জিলা হিচাপে পৰিগণিত হয়। শিক্ষা বিভাগে ৰাজ্যৰ বিদ্যালয়সমূহত নতুন শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিশেষ পৰিৱৰ্তন অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা বুলি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে বিগত সপ্তাহত প্ৰকাশ কৰে। ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত টি টুৱেণ্টি শৃংখলাত ভাৰতে শ্ৰীলংকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰে। পেৰিছ অলিম্পিকত যোৱা বুধবাৰে অসমৰ লাভলীনা বৰগোহাইয়ে বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত নৰৱেৰ চুন্নিভাক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। যোৱা বুধবাৰে আয়োজিত ৰাজ্যিক কেবিনেটৰ গুৰুত্বপূৰ্ণ বৈঠকখনত বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৰুণোদয় তৃতীয়ত ৪৭ লাখ হিতাধিকাৰীক সামৰি লোৱা হ'ব বুলি চৰকাৰে প্ৰকাশ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত সপ্তাহত এজুপি গছ মাৰ নামত শীৰ্ষক অভিযান অব্যাহত থাকে।

ৰাজ্যত পহিলা আগষ্টৰ পৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হয়। ৰাজ্যৰ পৰিবহন খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পৃষ্ঠপোষকতা বিচাৰি পৰিবহন মন্ত্ৰী কেশৱ মহন্তই যোৱা বৃহস্পতিবাৰে নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰী আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ লক্ষ্যৰে শিক্ষা বিভাগে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে শীঘ্ৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা বিভাগৰ প্ৰদানৰ ব্যৱস্থা আঁতৰ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীয়ে বিগত সপ্তাহত ঘোষণা কৰে। আনহাতে, চৰাইদেউৰে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ পাছত জিলাখনত পৰ্যটকৰ সুবিধা সুনিশ্চিত কৰাৰ উদ্দেশ্যে আমাৰ আলহী ঘৰ আঁচনি আৰম্ভ কৰা হয়। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ যোৱা শুকুৰবাৰে আৰম্ভ হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে যোৱা শুকুৰবাৰে গুৱাহাটীসহ ৮টা স্থানত হাইস্পীড ৰোড ক'ৰিডৰ নিৰ্মাণত অনুমোদন জনায়। ৰাজ্যৰ পৰ্যটন খণ্ডৰ সামগ্ৰিক বিকাশৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা দেশ বিদেশৰ পৰ্যটকক বিশ্বমানৰ সা-সুবিধা প্ৰদানৰ লক্ষ্যৰে কালি ৰাজ্য চৰকাৰে কাজিৰঙাত পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিসমূহত চমু অৱলোকন।

০০০০০০০

ৰাজ্যৰ বিৰোধী ৰাজনৈতিক দলসমূহৰে গঠিত বিৰোধী ঐক্যমঞ্চৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীৰ বেলতলাত অনুষ্ঠিত হয়। এই বৈঠকত ১৮ টা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বৈঠকত বিগত নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। তদুপৰি সমাগত উপ নিৰ্বাচন সন্দৰ্ভতো এই বৈঠকত আলোচনা কৰা হয়।

০০০০০০০

সমাপ্ত